بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ

# খোতবা জুমা

## খায়বৰৰ যুদ্ধৰ প্ৰেক্ষাপটত নবী কৰিম (ছাঃ)ৰ জীৱনী তথা দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ৭ ফেব্ৰুৱাৰী ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ ـ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ ـ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ ـ الرَّحْمٰنِ الرَّحِيْمِ ـ مٰلِكِ يَوْمِ الدِّيْنِ ـ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ ـ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ ـ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ ـ

তাছাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে, খায়বৰৰ যুদ্ধৰ কথা উল্লেখ হৈ আছিল। আঁহজৰত (ছাঃ)য়ে খায়বৰৰ ফালে ৰাওনা হোৱাৰ বিৱৰণ এনেদৰে যে তেখেত (ছাঃ)ৰ নেতৃত্বত যোল্ল শ প্ৰাণ বিসৰ্জন দিওঁতা সেনা সকলে মদিনাৰ পৰা ৰাওনা হয়। কিন্তু যাত্ৰাৰ আগতেই তেখেত (ছাঃ)য়ে এজন সংবাদদাতা আগুৱাই পঠিয়াই দিয়ে, যাৰ কাম আছিল সেনা বাহিনীৰ আগে আগে ৰাস্তা-ঘাটৰ পৰীক্ষা-নিৰীক্ষা কৰি পৰিস্থিতিৰ বিষয়ে অৱগত হোৱা। এই কামৰ নেতা আছিল হজৰত উবাদ বিন বশ্বৰ আনছাৰী। খায়বৰৰ পথৰ বিষয়ে জানিবৰ বাবে দুজন পথ প্ৰদৰ্শন মজুৰি হিচাপে লৈ গৈছিল। মদিনাৰ পৰা খায়বৰৰ পথত বিভিন্ন ঠাইত বৈ চুহবা নামৰ ঠাইত শিবিৰ পাতে। তাতে নামাজৰ সময় হোৱাত তাতে নামাজ পঢ়া হয়। বুখাৰীত বৰ্ণিত হৈছে যে চুহবা নামৰ ঠাইত তেখেত (ছাঃ)য়ে আচৰৰ নামাজ পঢ়ে। ইয়াৰ পিছত খোৱাৰ বাবে কিছু আনিবলৈ আদেশ দিয়ে; সেনাসকলৰ মাজত কেৱল ছাতু আছিল, ৰছুলুল্লাহ (ছাঃ)য়ে আৰু চাহাবা (ৰাঃ) সকলে তাকেই খাইছিল। বৰ্ণনাকাৰীয়ে বৰ্ণনা কৰে যে ইয়াৰ পিছত তেখেত (ছাঃ)য়ে মগৰিবৰ নামাজৰ বাবে থিয় হয়, তেখেত (ছাঃ)য়ে কুলা কৰিলে আৰু আমিও কুলা কৰিলোঁ, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে নামাজ পঢ়িলে আৰু দ্বিতীয়বাৰ অজু নকৰিলে।

যাত্ৰাৰ সময়তে কিছুমান এনেকুৱা ঘটনাও সংঘটিত হয় যাৰ পৰা জানিব পৰা যায় যে তৎকালীন অৱস্থাতেও নবী কৰিম (ছাঃ)য়ে চাহাবা সকলৰ প্ৰশিক্ষণ ইমান সুন্দৰ ভাৱে কৰিছিল যে অনুশাসন, আজ্ঞাবহতা আৰু অনুসৰণৰ প্ৰতি মনিযোগ আকৰ্ষণ কৰি থাকিছিল। এইদৰে আৰু এটা ঘটনা বৰ্ণনা কৰা

হৈছে যে এটা ৰাতি সেনাসকলৰ সন্মুখত কিবা বস্তু আগে আগে গৈ থকা দেখা গ'ল। ৰছুলুল্লাহ (ছাঃ)য়ে চিন্তিত হয়, খবৰ লোৱাৰ পিছত জানিব পৰা গ'ল যে সেইজন ইছলামী সেনাৰ এজন চিপাহী আছিল, যিজন সেনা বাহিনী অতিক্ৰম কৰি আগে আগে গৈ আছিল। চন্দ্ৰৰ পোহৰ তেওঁৰ মূৰৰ ওপৰত পৰাৰ বাবে জিলিকি আছিল; তেওঁৰ নাম আছিল আবু আবছ। তেওঁক যেতিয়া ৰছুলুল্লাহ (ছাঃ)ৰ সন্মুখত উপস্থিত কৰা হয় তেখেত (ছাঃ)যে উপদেশ দি কয় যে সেনাসকলৰ লগতে আগবঢ়া উচিত।

আঁহজৰত (ছাঃ)য়ে বনু গোথফানৰ ফালে শান্তি স্থাপন কৰাৰ বাবে পয়গাম প্ৰেৰণ কৰিছিল। আঁহজৰত (ছাঃ)য়ে সংবাদ পাইছিল যে বনু গোথফানে খায়বৰ বাসিন্দা সকলৰ সহায়ৰ অংগীকাৰ কৰিছে, আৰু চাৰি হাজাৰ সেনা-বাহিনীক লৈ এই উদ্দেশ্যে আগবাঢ়িছে যে ইছলামী সেনা বাহিনী খায়বৰ পোৱাৰ আগতেই বাটতে তেওঁলোকৰ ওপৰত আক্ৰমণ কৰিব। আঁহজৰত (ছাঃ)য়ে বনু গোথফানৰ সৈতে যোগাযোগ কৰে আৰু তেওঁলৈ এখন চিঠি পঠিয়ায় য'ত লিখিছিল যে খায়বৰৰ লগতে হ'বলগীয়া যুদ্ধত নিৰপেক্ষ থাকিব; লগতে তেওঁলোকক স্পষ্ট ভাৱে কলে যে এইটো মোৰ সৈতে কৰা আল্লাহ তা'লাৰ অংগীকাৰ যে সেইজনাই মোক বিজয় প্ৰদান কৰিব। কিন্তু ষোল্ল শ মুছলমান সকলৰ মোকাবিলাত পোন্ধৰ হাজাৰ সেনা যোদ্ধা আৰু শক্তিশালী দুৰ্গৰ প্ৰতি সিহঁতৰ অহংকাৰ আছিল, যাৰ কাৰণে তেওঁলোকে তেখেত (ছাঃ)ৰ এই প্ৰস্তাৱ গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰি দিয়ে।

ইয়াৰ পিছত তেখেত (ছাঃ)য়ে খজৰুজ কবিলাৰ চৰ্দাৰ আৰু নিষ্ঠাবান চাহাবা হজৰত ছাঈদ বিন উবাদা (ৰাঃ)ক বনু গোথফানৰ যুদ্ধাধিপতি আয়িনা বিন হিছনৰ ফালে প্ৰেৰণ কৰে। তেওঁৰ তেখেত (ৰাঃ)ৰ সৈতে দুৰ্গৰ বাহিৰত সাক্ষাৎ হয়, তেখেত (ৰাঃ)য়ে তেওঁক নবী কৰিম (ছাঃ)ৰ পয়গাম দিয়ে; আয়িনাই তেখেত (ৰাঃ)ক কলে যে আমি আমাৰ মিত্ৰক কোনো পদ্ধতিতেই নেৰিম, আৰু আমি জানো যে তোমালোকৰ শক্তি কিমান ? যদি তোমালোকে মোকাবিলা কৰা তেন্তে তোমালোক সকলোৱে ধ্বংস হৈ যাবা; এওঁলোক কুৰাইছ সকলৰ দৰে নহয় যে যিসকলৰ ওপৰত তোমালোকে বিজয় লাভ কৰিছা। লগতে এয়াও কয় যে মোৰ এই পয়গাম মহম্মদ (ছাঃ)ক দি দিবা। হজৰত ছাআদ (ৰাঃ)য়ে তেওঁৰ দাম্ভিকতাৰ উত্তৰত কয় যে মই সাক্ষী দিওঁ যে মহম্মদ (ছাঃ)য়ে নিশ্চয় তোৰ ওচৰত এই দুৰ্গত আহিব, এতিয়া যি অফাৰ আমি তোৰ বাবে ৰাখিছো, তেতিয়া তই আমাৰ পৰা এই প্ৰস্তাৱ বিচাৰিবা, তেতিয়া তই তৰোৱালৰ বাহিৰে একোৱে নাপাব। হে আয়িনা ! মই দেখা পাইছো যে আমি মদিনাৰ ইহুদী সকলৰ চোতালত অৱতৰণ কৰিছিলোঁ আৰু সিহঁতে বেয়াকৈ ধ্বংস হৈছিল।

খোদাৰ প্ৰতি ভয় আৰু গোথফান সকলৰ পলায়নৰ উল্লেখ পোৱা যায়। আঁহজৰত (ছাঃ)য়ে কৈছিল নুছিৰতু বিৰুবে, অৰ্থাৎ মোক ভীতিৰ সৈতে সহায় কৰা হৈছে। এই ঘটনা সাধাৰণতে পুনৰায় গোথফান সেনাসকলৰ বাবে সংঘটিত হয়। তেওঁলোকৰ চাৰি হাজাৰ সেনা বাহিনী ইছলামী সেনা-বাহিনীৰ ওপৰত আক্ৰমণ কৰাৰ বাবে প্ৰস্তুত আছিল যাতে মুছলমান সকলক খায়বৰ গৈ পোৱাৰ আগতে অৱৰোধ কৰে। কিন্তু খোদা তা'লাৰ এনেকুৱা ক্ষমতা প্ৰকাশ পায় যে তেওঁলোকৰ সেনাসকলক হঠাতে তাৰ পৰা উভতি নিজৰ ঘৰৰ ফালে গুচি যায়।

ইহুদীসকলৰ এই ধাৰণা আছিল তেখেত (ছাঃ)য়ে তেওঁলোকৰ ওপৰত আক্ৰমণ কৰিব কিয়নো তেওঁলোকে নিজৰ দুৰ্গ,অস্ত্ৰ-সস্ত্ৰ আৰু অধিক সংখ্যাৰ কাৰণে গৌৰৱ কৰিছিল। যেতিয়া তেওঁলোকে জানিব পাৰে যে তেখেত (ছাঃ)য়ে তেওঁলোকৰ ফালে আহি আছে তেতিয়া তেওঁলোকে দহ হাজাৰ যোদ্ধাক শাৰী পাতি বাহিৰলৈ ওলাই আহি কৈছিল যে চাওঁক! মহম্মদ (ছাঃ)য়ে সৈনিকসকলৰ সৈতে আমাৰ ওপৰত আক্ৰমণ কৰিব নে ? এইটো সম্ভৱে নহয়, যেতিয়া তেখেত (ছাঃ)য়ে তেওঁলোকৰ কাষ চাপি আহে,

তেওঁলোকে গমে পোৱা নাছিল, ইমানে যে সূৰ্য উদয় হৈ পৰিল। ৰাতিপুৱা ইহুদীসকলে যেতিয়া দুৰ্গৰ পৰা ওলাই আহে, তেওঁলোকৰ হাতত কোদাল আৰু পাচি আছিল, যেতিয়া তেওঁলোকে তেখেত (ছাঃ)ক দেখিলে তেতিয়া তাৰ পৰা গুচি নিজৰ দুৰ্গত গৈ লুকায়। হজৰত আনছ (ৰাঃ)ৰ পৰা বৰ্ণিত যে যেতিয়া তেওঁলোকে তেখেত (ছাঃ)ক দেখা পায় তেতিয়া ক'ব ধৰিলে যে মহম্মদ (ছাঃ), আল্লাহৰ শপত মহম্মদ (ছাঃ) আৰু সেনা বাহিনী। নবী কৰিম (ছাঃ)য়ে কলে

خَرِبَتْ خَيْبَرُ إِنَّا إِذَا نَزَلْنَا بِسَاحَةِ قَوْمٍ فَسَاءَ صَبَاحُ الْمُنْذَرِيْنَ

খায়বৰৰ বিনাশ ঘটিছে, যেতিয়া আমি কোনো জাতিৰ চোতালত অৱতৰণ কৰো তেতিয়া ভীতি প্ৰদৰ্শন কৰোঁতা সকলৰ প্ৰভাত বেয়া হৈ পৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে খায়বৰৰ বিভিন্ন দুৰ্গ আছিল, ইয়াক বিস্তাৰিত ভাৱে বৰ্ণনা কৰা জৰুৰী। খায়বৰৰ ভৌগোলিক ভাগ সন্দৰ্ভত এই দুৰ্গৰ বৰ্ণনা এনেদৰে যে এই যুদ্ধ দুৰ্গ সন্দৰ্ভত আছিল, ধাৰাবাহিক বিজয় লাভ হৈছে, কেৱল এই দুৰ্গৰ সংখ্যা সন্দৰ্ভতেই নহয় বৰং ইয়াৰ নামৰ সৈতেও মতভেদ আছে। সকলো কিতাপ দেখাৰ ফলত এয়া ক'ব পৰা যাব পাৰে যে খায়বৰ অঞ্চল তিনিটা ভাগত বিভক্ত কৰা হৈছিল, নিতাহ, শ্বক আৰু কাতিবা; আৰু এই তিনিটাৰ মাজত আঠটা দুৰ্গ তলত উল্লেখ কৰা দৰে আছিল। নিতাহত তিনিটা অৰ্থাৎ নায়িম, ছাআব আৰু জুবেৰ; শ্বকত উবায়, কিছুমানৰ দৃষ্টিত নাজাৰ আৰু কাতিবাত তিনিটা কমুচ, অতিহ আৰু ছালালম দুৰ্গ আছিল।

যুদ্ধ আৰম্ভ হোৱাৰ আগতে আঁহজৰত (ছাঃ)য়ে চাহাবা (ৰাঃ)ক সংক্ষিপ্ত ভাষণ প্ৰদান কৰি কয় যে শত্ৰুৰ সন্মুখীন হোৱাৰ ইচ্ছা নকৰিবা, আল্লাহ তা'লাৰ পৰা ভাল কামনা কৰা; তোমালোকে নাজানা যে তোমালোকক কেনেকুৱা পৰীক্ষাৰ সন্মুখীন কৰা হ'ব। যেতিয়া তোমালোকে শত্ৰুৰ সন্মুখীন হোৱা তেতিয়া এই প্ৰাৰ্থনা কৰিবা হে আল্লাহ! তুমি আমাৰ প্ৰতিপালক আৰু তেওঁলোকৰো প্ৰতিপালক। আমাৰ ভাগ্য আৰু তেওঁলোকৰ ভাগ্য তোমাৰ হাতত, গতিকে তুমি তেওঁলোকক হত্যা কৰিবা।

নায়িম দুৰ্গ সকলোতকৈ বেছি মজবুত আছিল; খায়বৰৰ বীৰত্ব আৰু খ্যাতি লাভ কৰা যোদ্ধাসকলে এই দুৰ্গৰ সুৰক্ষাৰ বাবে নেতৃত্ব কৰি আছিল। বৰ্ণনাৰ পৰা জানিব পৰা যায় যে আঁহজৰত (ছাঃ)য়ে দহ দিনলৈকে একেৰাহে যুদ্ধ কৰি থাকিল। বাৰে বাৰে বিফলতা আৰু চাহাবা (ৰাঃ)ৰ ক্ষত-বিক্ষত হোৱাত আৰু দুজন চাহাবা শ্বহীদ হোৱাৰ ফলত ইহুদী সকলৰ উৎসাহ অধিক বৃদ্ধি পাই আছিল। শেষত এটা ৰাতিত তেখেত (ছাঃ)য়ে কলে যে মই সেই ব্যক্তিৰ হাতত পতাকা দিম যাৰ হাতত আল্লাহ তা'লা বিজয় প্ৰদান কৰিব, তেওঁ আল্লাহ আৰু ৰছুলক ভাল পায়।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে এই উদ্ধৃতিত এনেদৰে বৰ্ণনা কৰিছে যে এদিনাখন ৰছুলুল্লাহ (ছাঃ)ক খোদা তা'লাই কলে যে এই চহৰখনৰ বিজয় হজৰত আলি (ৰাঃ)ৰ হাতত ন্যস্ত। তেখেত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক মাতি পতাকাখন তেওঁৰ অধীনস্থ কৰিলে। ইহুদীসকলৰ দুৰ্গ বন্ধ থকা সত্ত্বেও তেখেতে চাহাবা (ৰাঃ)ৰ সেনাদলক লগতে লৈ দুৰ্গৰ ওপৰত আক্ৰমণ কৰিলে। আল্লাহ তা'লাই হজৰত আলি (ৰাঃ) আৰু আন আন চাহাবা (ৰাঃ)ক সেইদিনা ইমানে শক্তি দিলে যে গধূলি হোৱাৰ আগতেই দুৰ্গ বিজয় হৈ গ'ল। যেতিয়া ইহুদীসকলে পৰাজয় বৰণ কৰে নায়িম দুৰ্গৰ ওপৰত মুছলমান সকলৰ আক্ৰমণ বাধা দিয়াত বিফল হ'ল, তেতিয়া তেওঁলোকে চাআব বিন মুআজ দুৰ্গত গৈ নিৰাপত্তা লয়। নায়িম দুৰ্গৰ যুদ্ধত এজন ইহুদীও মুছলমান সকলৰ হাতত বন্দী নহ'ল। হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে বাকী দুৰ্গসমূহৰ ঘটনাৰ বিস্তাৰিত বিৰৰণ আছে ইনশা আল্লাহ সেইবোৰ পৰৱৰ্তীত বৰ্ণনা কৰিম।

হুজুৰ আনোৱাৰ (আইঃ)য়ে শেষত কৈছে, যিদৰে মই দোৱাৰ বাবে আবেদন কৰি থাকো, পৃথিৱীৰ

পৰিস্থিতি সন্দৰ্ভত, মুছলমান সকলৰ পৰিস্থিতি সন্দৰ্ভত, বিশেষকৈ পেলেষ্টাইনৰ বাবে লগতে পৃথিৱীৰ মুছলমানসকলৰ বাবে দোৱা কৰিব। সিহঁতৰ বাহ্যিক অৱস্থা চাই এনেকুৱা লাগে তেওঁলোকে আনন্দত আছে সম্ভৱত Ceasefire হৈ গৈছে এতিয়া পৰিস্থিতি ভাল, কিন্তু অৱস্থা বেয়াৰ পৰা বেয়া হৈ আছে। আমেৰিকাৰ নতুন ৰাষ্ট্ৰপতিৰ কৌশল আৰু স্কীমে অত্যাচাৰ সীমা পাৰ কৰি গৈছে। প্ৰথমে আমেৰিকাই কৈছিল যে আমাৰ দেশৰ বাবে ভয়াবহতা আছে, আন দেশত হস্তক্ষেপ নকৰোঁ; কিন্তু এতিয়া সমগ্ৰ পৃথিৱীৰ বাবে ভয়ঙ্কৰ হৈ পৰিছে। আল্লাহ তা'লা পেলেষ্টাইন সকলৰ ওপৰত দয়া কৰক, বিশ্বৰ ওপৰত দয়া কৰক আৰু তেওঁলোকৰ পৰা দূৰত থাকিব। আৰব দেশ এতিয়া চকু মেলক আৰু ঐক্য প্ৰতিষ্ঠা কৰাৰ বাবে প্ৰয়াস কৰক। ইয়াৰ বাহিৰে আন কোনো উপায় নাই, নতুবা কেৱল পেলেষ্টাইনেই নহয় আৰব দেশও কঠোৰ অসুবিধাৰ সন্মুখীন হ'ব। এতিয়া অমুছলিম সকলৰ ফালৰ পৰাও পেলেষ্টাইনৰ সপক্ষে অত্যাচাৰৰ বিৰুদ্ধে মাত মাতিব ধৰিছে; কিন্তু যি শক্তিশালী সি পৰিপূৰ্ণ ভাৱে নিজৰ শক্তিৰ নিচাত নিমগ্ন, কাৰো কথা শুনিব নিবিচাৰে। গতিকে মুছলমান সকলে এইফালে অধিক মনোযোগ দিয়াৰ প্ৰয়োজন আৰু আমি তেওঁলোকৰ বাবে দোৱা কৰাৰ প্ৰয়োজন আছে। ইয়াৰ বাহিৰে আমাৰ ওচৰত আন কোনো শক্তি নাই।

এইদৰে পাকিস্তানৰ আহমদীসকলৰ বাবে দোৱা কৰিব, বিৰুদ্ধবাদী সকলে কেতিয়াবা বিৰোধীতাত বহু বেছি কঠোৰ হৈ পৰে। বাংলাদেশৰ আহমদীসকলৰ বাবে দোৱা কৰিব। আল্লাহ তা'লা তেওঁলোকক প্ৰত্যেক ধৰণৰ বিৰুদ্ধবাদীৰ আক্ৰমণৰ কৰা সুৰক্ষা ৰাখক। আন আন ঠাইৰ নিপীড়িত সকলৰ বাবেও দোৱা কৰিব। নিপীড়িত আহমদীসকলৰ বাবেও দোৱা কৰিব। আল্লাহ তা'লা সকলোকে নিজৰ সুৰক্ষা আৰু শান্তিত ৰাখক। জগতবাসীক বিবেক-বুদ্ধি দান কৰক, আৰু তেওঁলোকৰ সকলোৰে মাজত শান্তি প্ৰতিষ্ঠা কৰাৰ প্ৰতি মনোযোগ সৃষ্টি কৰক। আল্লাহ তা'লা আমাক দোৱাৰ কৰাৰ সৌভাগ্য দান কৰক। আমীন-

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللّٰهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ أَنْ لَآ اِلٰهَ اِلاَّ اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ، عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَأْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**ASSAMESE KHULASA KHUTBA JUMA HUZUR ANWAR [aba] 7 FEB 2025**

# BOOK POST (PRINTED MATTER)

TO,

..........................................................................................................................

..........................................................................................................................

..........................................................................................................................

NASHOR-O ISHAAT QADIAN, DIST GURDASPUR,143516 PUNJAB